**অসম চৰকাৰ**
**জিলা দণ্ডাধীশৰ কাৰ্যালয়**
**হোজাইঃ শ্ৰীমন্ত শংকৰদেৱ নগৰ (অসম)**
**( দণ্ডাধীশ শাখা )**

**ই চি এফ নং ৭৩৩১৭/১২৯১** **দিনাংক: ১০/০৫/২০২৫**

# নিষেধাজ্ঞামূলক আদেশ

## (ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩)

যিহেতু, মই মত পোষণ কৰিছোঁ যে ১১/০৫/২০২৫ তাৰিখৰ পৰা অনুষ্ঠিত হব লগীয়া পঞ্চায়ত নিৰ্বাচন-২০২৫ ৰ ভোট গণনাৰ সময়ছোৱাত জনসাধাৰণৰ মাজত সুৰক্ষা ও শান্তি সম্প্ৰীতি বজাই ৰখাৰ স্বাৰ্থত, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ ৰ অধীনত নিষেধাজ্ঞা মূলক আদেশ জাৰী কৰাৰ প্ৰয়োজন আছে।

যিহেতু, আশা কৰা হৈছে যে এই ভোট গণনাৰ সময়ছোৱাত বৃহৎ সংখ্যক ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ সমৰ্থক আৰু লগতে বহুসংখ্যক নিৰ্দলীয় প্ৰাৰ্থী উপস্থিত থাকিব,

যিহেতু, বৃহৎ সংখ্যক যান বাহন ভোট গণনা কেন্দ্ৰ সমূহৰ ওচৰত জমা হোৱাৰ ফলত যান যটৰ সমস্যা সৃষ্টি হোৱাৰ সম্ভাৱনা আছে,

যিহেতু, ভোট গণনাৰ সময়ছোৱাত আৰু ইয়াৰ পিছৰ পৰ্যায়ত ৰাজনৈতিক উত্তেজনা প্ৰনোদিত পৰিস্থিতিৰ সূত্ৰপাত হোৱাৰ আশংকা আছে,

গতিকে, ইয়াৰ দ্বাৰা, মই শ্ৰী বিদ্যুৎ বিকাশ ভাগৱতী, অ.অ.সে., জিলা দণ্ডাধীশ, হোজাই জিলা ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ দ্বাৰা আৰোপিত ক্ষমতাৰ প্ৰয়োগ কৰি, ভোট গণনাৰ সময়ছোৱাত হোজাই জিলাৰ সমূহ নাগৰিকৰ মাজত ৰাজহুৱা শান্তি, সম্প্ৰীতি বজাই ৰখাৰ স্বাৰ্থত আৰু লগতে মুক্ত আৰু নিকা পঞ্চায়ত নিৰ্বাচন-২০২৫ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য থকা আৰ্হি নিৰ্বাচনী আচৰণ বিধি সঠিক ভাবে বাহাল ৰখাৰ স্বাৰ্থত, তলত দিয়া বিষয়সমূহ নিষিদ্ধ কৰাৰ নিষেধাজ্ঞা মূলক আদেশ জাৰী কৰিলোঁ।

**১.** ভোট গণনা কেন্দ্ৰ স্থাপন কৰা স্থান, শ্ৰীমন্ত শঙ্কৰদেৱ নগৰস্থিত জিলা আয়ুক্তৰ কাৰ্য্যালয়, জিলা আয়ুক্তৰ প্ৰেক্ষাগৃহৰ পৰা ১০০ মিটাৰ পৰিধিৰ ভিতৰত জনসমাগম আৰু কোনো যান বাহন ৰখা নিষেধ।
**২.** বৈধ পৰিচয় পত্ৰ (পঞ্চায়ত নিৰ্বাচন ২০২৫ পৰিচয় পত্ৰ শাখাৰ পৰা জাৰী কৰা) অবিহনে যিকোনো ব্যক্তিৰ প্ৰৱেশ সম্পূৰ্ণ নিষিদ্ধ।
**৩.** ভোট গণনা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ পৰিধিৰ ভিতৰত কোনো অস্থায়ী দোকান, খাদ্যবস্তুৰ বিপনী ইত্যাদি সম্পূৰ্ণ নিষিদ্ধ।
**৪.** ৰাজহুৱা সমাবেশ, অথবা বিজয় শোভাযাত্ৰাত যিকোনো ব্যক্তিয়ে অস্ত্ৰ হিচাপে ব্যৱহাৰ হব পৰা সামগ্ৰী, চোকা অস্ত্ৰ, লাঠি ইত্যাদি লগত লৈ ফুৰিব নোৱাৰিব।
**৫.** ফটকা অথবা শব্দ নিৰ্গমনৰ সামগ্ৰীৰ ব্যৱহাৰ নিষিদ্ধ।
**৬.** যান বাহনত সংযোজিত অথবা অন্য ধৰণৰ শাব্দিক যন্ত্ৰ ইত্যাদিৰ ব্যৱহাৰ নিষিদ্ধ।
**৭.** পঞ্চায়ত নিৰ্বাচন-২০২৫ ৰ আৰ্হি আচৰণ বিধিৰ সকলো নিৰ্দেশনা মানি চলিব লাগিব।

**নিৰাপত্তাৰ দায়িত্বত থকা কৰ্মী অথবা নিৰ্বাচনী কাম কাজত নিয়োজিত থকা ৰাজহুৱা কৰ্মচাৰীৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য নহব।**

পৰিস্থিতিৰ প্ৰয়োজনীয়তাৰ প্ৰতি নজৰ ৰাখি এই নিষেধাজ্ঞা ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ ৰ অধীনত একপক্ষীয় ভাবে জাৰী কৰা হৈছে। যদিওবা, যিকোনো ক্ষুব্ধ ব্যক্তিয়ে এই নিষেধাজ্ঞাৰ শুধৰণি/ৰেহাই/সালসলনি/প্ৰত্যাহাৰৰ বাবে উপযুক্ত কৰ্তৃপক্ষৰ কাষ চাপিব পাৰিব।

**এই নিষেধাজ্ঞা তাৎক্ষণিক ভাবে দিনাংক ১১-০৫-২০২৫ তাৰিখ পৰা ভোট গণনা সমাপ্ত নোহোৱা পৰ্য্যন্ত বাহাল থাকিব।**

এই নিষেধাজ্ঞা অমান্যকাৰী ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ২২৩ মতে দণ্ডনীয় বিবেচিত হব।

মোৰ হস্তাক্ষৰত আৰু ছিল মোহৰ মাৰি প্ৰদান কৰা হল।

জিলা দণ্ডাধীশ
District Magistrate
Hojai : Sankardev Nagar
হোজাই

**মেমো-ই চি এফ নং ৭৩৩১৭/১২৯১ (এ) দিনাংক: ১০/০৫/২০২৫**

**প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল-**

১) মুখ্য নিৰ্বাচনী বিষয়া, অসম, দিশপুৰ, গুৱাহাটী-০৬।

২) আয়ুক্ত সচিব, অসম চৰকাৰ, গৃহ আৰু ৰাজনৈতিক বিভাগ, অসম সচিবালয়,দিশপুৰ, গুৱাহাটী-০৬।

৩) সচিব, অসম ৰাজ্যিক নিৰ্বাচন আয়োগ, দিশপুৰ, গুৱাহাটী-০৬।

৪) জিলা আৰু সত্ৰ ন্যায়াধীশ, হোজাই, শ্ৰীমন্ত শংকৰদেৱ নগৰ।

**জ্ঞাতাৰ্থে ও বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল-**

১) মুখ্য কাৰ্যবাহী বিষয়া,হোজাই জিলা পৰিষদ।

২) আৰক্ষী অধীক্ষক,হোজাই।

৩) অতিৰিক্ত জিলা দণ্ডাধীশ (সকলো), হোজাই।

৪) কাৰ্যবাহী দণ্ডাধীশ (সকলো), হোজাই।

৫) জিলা তথ্য ও জনসংযোগ বিষয়া, হোজাই।

৬) প্ৰট'কল বিষয়া, নিৰ্বাচন পৰ্য্যবেক্ষক, হোজাই/ লামডিং সম-জিলা।

৭) সকলো ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, হোজাই জিলা।

৮) জিলা তথ্য বিজ্ঞান বিষয়া, এন আই চি, হোজাই।

জিলা দণ্ডাধীশ
District Magistrate
Hojai : Sankardev Nagar
হোজাই